# প্ৰাক্-শংকৰী যুগৰ সাহিত্য

প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্য বুলিলে সাধাৰণতে লোকগীত-চৰ্যাপদৰপৰা আৰম্ভ কৰি শংকৰদেৱৰ আগলৈকে ৰচিত সমুদায় সাহিত্যকে বুজায় যদিও এই আলোচনাত শংকৰদেৱৰ আগেয়ে সংস্কৃত গ্ৰন্থৰ আলমত ছন্দবদ্ধভাৱে ৰচনা কৰা লিখিত সাহিত্যকহে বুজোৱা হৈছে। দশম-একাদশ শতিকাত ৰচিত চৰ্যাপদৰ বাহিৰে চতুৰ্দশ শতিকাৰ ভিতৰত, অৰ্থাৎ, দ্বাদশ-ত্ৰয়োদশ শতিকাৰ লিখিত সাহিত্যৰ কোনো নিদৰ্শন পোৱা নাযায়। যি আছিল সি হয়তো প্ৰাকৃতিক বা ৰাজনৈতিক বিপৰ্যয়ত ধ্বংস পালে আৰু ক'ৰবাত আছে যদিও উদ্ধাৰ হোৱা নাই। চৰ্যাপদৰ পিছৰপৰা চতুৰ্দশ শতিকালৈকে ধাৰাবাহিকভাৱে গ্ৰন্থ পোৱা নগ'লেও এইটো ঠিক যে চতুৰ্দশ শতিকাৰ ভিতৰত অসমীয়া ভাষাই ভালেখিনি আত্ম-বিকাশ লাভ কৰিলে। তাৰ প্ৰমাণ হৈছে চতুৰ্দশ শতিকাত ৰচিত গ্ৰন্থসমূহ। সেই গ্ৰন্থসমূহৰ ৰচয়িতাসকল হ'ল—হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী আৰু মাধৱ কন্দলী। এওঁলোকৰ ভিতৰত মাধৱ কন্দলীয়েই শ্ৰেষ্ঠ।

**হেম সৰস্বতী ঃ** হেম সৰস্বতীয়ে 'প্ৰহ্লাদ-চৰিত্ৰ' (প্ৰহ্লাদ-চৰিত)। আৰু 'হৰগৌৰী-সংবাদ' নামৰ দুখন পদপুথি ৰচনা কৰে। 'প্ৰহ্লাদ-চৰিত'ত দিয়া আত্ম-পৰিচয়ৰপৰা জানিব পাৰি যে কমতাৰ ৰজা দুৰ্লভ নাৰায়ণৰ দিনত ৰুদ্ৰ-সৰস্বতী দেৱযানীৰ পুত্ৰ আৰু ধ্ৰুৱৰ ভায়েক হেম সৰস্বতীয়ে 'বামন পুৰাণ' চাই 'প্ৰহ্লাদ-চৰিত' ৰচনা কৰে। 'হৰগৌৰী-সংবাদ'ত তেওঁৰ আন নাম হেমন্ত আৰু পিতাকক "সৰ্বশাস্ত্ৰে পণ্ডিত সুজান" বুলি কৈছে।

নানা পণ্ডিতৰ মত চালি-জাৰি চাই এই সিদ্ধান্তলৈ আহিব পাৰি যে দুৰ্লভ নাৰায়ণ চতুৰ্দশ শতিকাৰ আগ ভাগৰ ৰজা। গতিকে হেম সৰস্বতীকো সেই সময়ৰ বুলি ধৰিব লাগিব। সেই সময়ত কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আৰু ৰংপুৰ 'কমতা-মণ্ডল', অৰ্থাৎ, কমতা ৰাজ্যৰ ভিতৰত পৰিছিল। গতিকে কবিৰ জন্মভূমি এই চাৰি জিলাৰ কোনো এখনত আছিল। পাণ্ডিত্যৰ পৰিচায়ক সৰস্বতী উপাধিৰপৰা জানিব পাৰি যে পিতাকৰ দৰে তেওঁ পণ্ডিত আছিল।

**প্ৰহ্লাদ চৰিত্ৰ ঃ** হেম সৰস্বতীয়ে বামন-পুৰাণ চাই এশটা পদত 'প্ৰহ্লাদ চৰিত্ৰ' নামে এখন ক্ষুদ্ৰ কাব্য ৰচনা কৰে। কিন্তু বৰ্তমানে প্ৰাপ্ত 'বামন পুৰাণ'ত এই আখ্যানটো নথকাত পণ্ডিতসকলে অনুমান কৰে যে, হেম সৰস্বতীৰ সময়ত বামন-পুৰাণ নামে এখন মহাপুৰাণ আছিল; কিন্তু কালক্ৰমত লোপ পালে।

কাব্যখনিত হৰিভক্ত প্ৰহ্লাদৰ ওপৰত পিতৃৰ অত্যাচাৰ আৰু নৰসিংহৰ হাতত হিৰণ্যকশিপুৰ মৃত্যু-কাহিনী বৰ্ণিত হৈছে। কাব্যখনৰ বৰ্ণনা ৰসাল নহয় আৰু ভাষাও উচ্চ-পৰ্যায়ৰ বুলি ক'ব নোৱাৰি। ছন্দ গতানুগতিক। অৱশ্যে মাজে মাজে উপমা-পটন্তৰৰ ব্যৱহাৰ আছে যেনে—

উপমা— ক্ৰোধিলেক ৰাজাএ পুত্ৰ শুনি বাণী।
তুলাত লাগিলা যেন প্ৰচণ্ড অগনি।।

পটন্তৰ— (১) দন্ত ভাংগা সৰ্বৰ ফেফোনি মাত্ৰ সাৰ।
(২) মোহৰ বংশত উপজিল ধূমকেতু।

বৰ্ণনাৰ অতিৰঞ্জন—(১) একো একো হস্তী জেন পৰ্বত সদৃশ।
(২) একো একো সৰ্পক দেখন্তে ভয়ংকৰ।
ফনাএ লংঘিন জেন মেঘ আকাশৰ।।

কাব্যখনত বৈষ্ণৱ প্ৰভাৱো লক্ষ্য কৰা কৰা যায়—'হৰি যাক ৰক্ষা কৰে মাৰে তাক কুনে।' মাজে মাজে কাব্যখনত বিষ্ণু-ভক্তিৰ মাহাত্ম্য আৰু তত্ত্বমূলক উপদেশ আছে। সেইহে 'প্ৰহ্লাদ-চৰিত্ৰ' প্ৰথম অসমীয়া বৈষ্ণৱ গ্ৰন্থ বুলি কালিৰাম মেধি ডাঙৰীয়াই অভিমত দিছে।

**হৰগৌৰী সংবাদ ঃ** এই পুথিখনি ৮৯৯টা পদত ৰচিত। পুথিখনৰ প্ৰথম অধ্যায় 'নৃসিংহ-পুৰাণ' আৰু বাকী অংশ সংস্কৃত 'হৰগৌৰী সংবাদ'ৰপৰা লোৱা হৈছে। ইয়াত তাৰকাসুৰৰ অত্যাচাৰ, হৰগৌৰীৰ বিবাহ, কাৰ্তিকৰ জন্ম আদিৰ বিষয়ে বৰ্ণনা আছে। পুথিখনত হেম সৰস্বতীৰ কবি-প্ৰতিভাৰ পৰিচয় পোৱা যায়।

ভাষা ঃ হেম সৰস্বতীৰ ভাষাত প্ৰাচীনত্বৰ চিন আছে। প্ৰহ্লাদ ('প্ৰহ্লাদ), জোজন, মঞিঃ, তন্তে, ধাঞিঃ আদি শব্দত প্ৰাকৃত প্ৰভাৱ মন কৰিব লগীয়া। বুলন্ত তাংক, ধংকামাৰি আদি উৱিয়া শব্দৰূপো আছে। আখৰ জোঁটনিত কামৰূপী উচ্চাৰণ লক্ষ্য কৰা যায়। যেনে, পোতি (পতি), কোবি (কবি), ধোৰি (ধৰি), কুন (কোন), দামুদৰ (দামোদৰ) ইত্যাদি। 'শ', 'ষ' আৰু 'স' ৰ ঠাইত 'খ'ও বহিছে। যেনে—বংখত (বংশত), বিখেখোত (বিশেষত) ইত্যাদি।

**হৰিবৰ বিপ্ৰ ঃ** কোনো কোনো লেখকে এওঁৰ নাম হৰিহৰ বিপ্ৰ বুলি লিখিছে; কিন্তু ডঃ মহেশ্বৰ নেওগদেৱে হৰিহৰ বিপ্ৰ নহৈ হৰিবৰ বিপ্ৰহে হ'ব লাগে বুলি যুক্তি দেখুৱাইছে। কিন্তু বৰ্তমানে দুয়োটা নামেই চলিছে। ই যি নহওক, হৰিবৰ বিপ্ৰ এজন প্ৰতিভাশালী কবি আছিল। তেওঁৰ নামত তিনিখন কাব্য-পুথি পোৱা গৈছে ঃ 'বভ্ৰুবাহনৰ যুদ্ধ', 'লৱকুশৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ'। 'বভ্ৰুবাহনৰ যুদ্ধ'ত দিয়া কবিৰ আত্ম-পৰিচয়ৰপৰা জানিব পাৰি যে, কবিয়ে কমতাৰাজ দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ